
# *2018-19*
# *Published Papers in Journals*

*1. Binod Konwar.*

*AsomorDeuriJanagusthirsamajikutsav-anusthanaru puja patal*




Marangi Mahavidyalaya

**KARSHAN (কৰ্ষণ) : A Peer-Reviewed Bilingual Annual Research Journal, ISSN : 2394-5672, 4th Edition, 2019, Edited by Dr. Haren Hazarika, Published by Principal, Sibsagar Commerce College, Sivasagar.**
***Price : Rs. 150.00 (Rupees One Hundred Fifty) only***

**Published by :** Principal, Sibsagar Commerce College, Sivasagar
© Principal, Sibsagar Commerce College

**Editorial Advisory Board :** **Dr. Upen Rabha Hakacham**
Prof., Dept. of Assamese,
Gauhati University.

**Dr. Nirajana Mahanta Bezborah**
Prof., Dept. of Assamese,
Dibrugarh University.

**Dr. Saumar Jyoti Mahanta**
Principal, Sibsagar Commerce College.

**Dr. Jyoti Prasad Saikia**
Prof., Dept. of Sociology,
Dibrugarh University.

**Editorial Board :**

| | | |
|---|---|---|
| President | : | Ashok Kumar Khandelia |
| Editor | : | Dr. Haren Hazarika |
| Members | : | Dr. Padma Nath Sharma<br>Pankaj Jyoti Hazarika<br>Prodip Gogoi<br>Junti Patar<br>Rabisankar Gogoi |

| | | |
|---|---|---|
| Frequency of Publication | : | One Volume Per Year |
| Year of Publication | : | June, 2019 |
| Cover Design | : | Dr. Haren Hazarika<br>Kunal Mukul Acharyya |
| Price | : | Rs. 150.00 (One hundred fifty) only |
| Printed at | : | Kasturi Printers & Publication<br>Kasturi Bhawan<br>Baruah Chariali, Jorhat |

*The views and interpretations expressed in the Journal are those of the individual contributor and do not necessarily represent the views of the Editorial Board of the Journal.*

## সম্পাদকীয়

ঐতিহ্যমণ্ডিত পুৰণি ৰংপুৰৰ ইতিহাস বিজৰিত শিৱসাগৰ বৰপুখুৰীৰ পাৰত অৱস্থিত ১৯৬৯ চনত স্থাপিত শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়খনিয়ে ২০১৯ চনৰ জুন মাহত গৌৰৱোজ্জ্বল পঞ্চাশটি বৰ্ষ সম্পূৰ্ণ কৰিছে। ১৯৬৯ চনতে শিৱসাগৰৰ কিছুসংখ্যক শৈক্ষিক আৰু সামাজিকভাৱে দায়বদ্ধ ব্যক্তিৰ প্ৰচেষ্টাত জন্ম লাভ কৰা মহাবিদ্যালয়খনি উজনি অসমৰ বাণিজ্য শিক্ষাৰ এক অন্যতম গুৰুত্বপূৰ্ণ শিক্ষানুষ্ঠান। বাণিজ্য শিক্ষাৰ স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ লগতে শেহতীয়াকৈ কলা শাখাৰ অন্তৰ্ভুক্তি আৰু অন্যান্য ব্যৱহাৰিক পাঠ্যক্ৰমক গুৰুত্ব প্ৰদান কৰি শৈক্ষিক দিশক অধিক আগুৱাই নিয়াৰ প্ৰয়াস কৰা হৈছে। শৈক্ষিক দিশৰ লগতে মহাবিদ্যালয়খনিয়ে পূৰ্ব্বৰেপৰাই সমাজৰ বিভিন্ন দিশৰ উন্নয়ণৰ ক্ষেত্ৰতো বিভিন্ন কাৰ্যপন্থা হাতত লৈ আহিছে। লগতে গৱেষণাধৰ্মী গ্ৰন্থ, আলোচনী আদি প্ৰকাশৰ ক্ষেত্ৰতো প্ৰচেষ্টা হাতত লৈছে। তেনে প্ৰচেষ্টাৰ অংশ হিচাপে 'কৰ্ষণ' গৱেষণা-পত্ৰিকাই ২০১৯ বৰ্ষত চতুৰ্থ সংখ্যাটি প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। গৌৰৱময় সোণালী জয়ন্তী আৰম্ভণী অনুষ্ঠানৰ লগত সংগতি ৰাখি 'কৰ্ষণ'ৰ তৃতীয় সংখ্যাটি প্ৰকাশ কৰা হৈছিল। একেদৰে মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ লগত সংগতি ৰাখি 'কৰ্ষণ'ৰ চতুৰ্থ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা হ'ল।

PRINCIPAL, i/c
Marangi Mahavidyalaya

Scanned by TapScanner

Marangi Mahavidyalaya

## সূচীপত্ৰ


- প্ৰাচীন পুৰাকথাৰ সমকালীন সংশ্ৰৱ ঃ ৰূপলেখা দেৱীৰ 'ঘটেশ্বৰীৰ সাধু' —ড° বৰ্ণালী বড়া ১১৭-১২৭
- সৌৰভ কুমাৰ চলিহাৰ কাহিনী-বিযুক্ত গদ্য —ড° চিত্ৰজিৎ শইকীয়া ১২৮-১৪৮
- অসমীয়া চুটিগল্পত লিংগ বৈষম্যৰ প্ৰতিফলন—কাকলি সোণোৱাল ১৪৯-১৫৮
- টাই শৈলীৰ পুথিচিত্ৰ ঃ এটি অধ্যয়ন —ড° সুজিত ভৰালী ১৫৯-১৬৮
- জ্যোতি প্ৰসাদৰ সংস্কৃতি বিষয়ক চিন্তা-চেতনা ঃ এক অৱলোকন —মৃদুস্মিতা দত্ত ১৬৯-১৭৯
- ভূপেন হাজৰিকাৰ গীতত অলংকাৰৰ সৌন্দৰ্য —জুলি কোঁৱৰ ১৮০-১৯২
- অসমৰ দেউৰী জনগোষ্ঠীৰ সামাজিক উৎসৱ-অনুষ্ঠান আৰু পূজা-পাতল —বিনোদ কোঁৱৰ ১৯৩-২০০



KARSHAN
ISSN No. : 2394-5672
Volume -IV, June, 2019, Page 7-29


# সংফুলৰ দেশত সংফুলৰ সন্ধানত

(শদিয়াৰ চাকিশালৰ ইতিবৃত্ত)


ড° উপেন ৰাভা হাকাচাম


"শদিয়ালৈ নাযাবা সংফুল নাখাবা
কেঁচাপাতত নাবান্ধিবা লোণ
মৰি মৰি ওপজেনো কোন ? ( উত্তৰ ঃ জোন)

আঁউসীত মৰা আৰু প্ৰতিপদৰ পৰা চতুৰ্দশীলৈ কলা কলাকৈ বাঢ়ি পূৰ্ণিমা-অমাৱশ্যা হোৱা পৰিঘটনাৰ আঁৰত থকা জোনক লৈ 'শদিয়াৰ সংফুল'-ৰ লগত সম্পৰ্কিত এই বিখ্যাত সাঁথৰফাকিৰ সৃষ্টি হৈছে।

অৱশ্যে পৰৱৰ্তী কালত অনতিক্ৰম্য এই শদিয়ালৈ যোৱা আৰু নিষিদ্ধ সংফুল খোৱাৰ বাবে প্ৰত্যাহ্বান স্বৰূপে লৈ গীতিকাৰ কেশৱ মহন্তৰদ্বাৰা ৰচিত আৰু সংগীত সূৰ্য খগেন মহন্তৰদ্বাৰা সুৰাৰোপিত আকাশবাণী গুৱাহাটীৰ কণ কণ অকণিৰ অনুষ্ঠান 'অকণিৰ মেল' যোগে সম্প্ৰচাৰিত 'মা আমি শদিয়ালৈ যামেই মা আমি সংফুল খামেই' বোলা গীতফাকিয়ে শদিয়া আৰু সংফুলৰ কথা আমাৰ মনলৈ বাৰুকৈ সুমাই দিছে। এতিয়া সেই ৰামো নাই অযোধ্যাও নাই। ড° ভূপেন হাজৰিকাৰ নামত উৎকীৰ্ণ ঢলা-শদিয়া দলংখনে অসমৰ অন্যান্য প্ৰান্তৰ লগত শদিয়াকো অতি সহজে যোগাযোগ যোগ্য কৰি তুলিলে।

কিন্তু আমাৰ মানত সাঁথৰ স্বৰূপ হৈ থকা সেই তাহানিৰ সংফুল সম্বন্ধে থকা ভ্ৰান্ত ধাৰণা এতিয়াও মনৰ পৰা আঁতৰি নগ'ল। শদিয়াৰ সংফুলক লৈ এতিয়াও


Scanned by TapScanner


PRINCIPAL, i/c
Marangi Mahavidyalaya

পাদটীকা ঃ

১। নৰকান্ত বৰুৱা, কবিতাৰ দেহবিচাৰ, পৃ. ২
২। মনোৰঞ্জন শাস্ত্ৰী, সাহিত্য দৰ্শন, পৃ. ১৮৪
৩। তীৰ্থনাথ শৰ্মা, সাহিত্য বিদ্যা পৰিক্ৰমা, পৃ. ১০৬
৪। তীৰ্থনাথ শৰ্মা, সাহিত্য বিদ্যা পৰিক্ৰমা, পৃ. ১১০
৫। তীৰ্থনাথ শৰ্মা, সাহিত্য বিদ্যা পৰিক্ৰমা, পৃ. ১২৯
৬। তীৰ্থনাথ শৰ্মা, সাহিত্য বিদ্যা পৰিক্ৰমা, পৃ. ৯৪

সহায়ক গ্ৰন্থ ঃ

বৰুৱা, নৰকান্ত ঃ কবিতাৰ দেহবিচাৰ
ষ্টুডেণ্টচ্ ষ্টৰ'চ, গুৱাহাটী, ২য় সংস্কৰণ, ১৯৯২

শৰ্মা, তীৰ্থনাথ ঃ সাহিত্য বিদ্যা পৰিক্ৰমা
বাণী প্ৰকাশ, গুৱাহাটী, অষ্টম প্ৰকাশ, ২০০১।

শাস্ত্ৰী, মনোৰঞ্জন ঃ সাহিত্য দৰ্শন
জাৰ্নাল এম্প'ৰিয়াম, নলবাৰী, ২য় সংস্কৰণ।

হাজৰিকা, সূৰ্য (সম্পা.) ঃ ডঃ ভূপেন হাজৰিকা, গীতাৱলী
বাণী মন্দিৰ গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৩।

*(লেখিকা ঃ সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, দুলীয়াজান ছোৱালী মহাবিদ্যালয়, দুলীয়াজান।)*

KARSHAN
ISSN No. : 2394-5672
Volume -IV, June, 2019, Page 193-199

# অসমৰ দেউৰী জনগোষ্ঠীৰ সামাজিক উৎসৱ-অনুষ্ঠান আৰু পূজা-পাতল

বিনোদ কোঁৱৰ

সকলো জাতি জনগোষ্ঠীৰে কিছুমান নিজস্ব সামাজিক উৎসৱ-অনুষ্ঠান থাকে। তেনেদৰে অসম তথা অৰুণাচলত বসবাস কৰা অন্যতম প্ৰাচীন থলুৱা জনগোষ্ঠী দেউৰীসকলৰ মাজতো বিভিন্ন সামাজিক উৎসৱ-অনুষ্ঠানৰ প্ৰচলন পূৰ্বৰে পৰাই দেখা যায়। অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ দৰে দেউৰী জনগোষ্ঠীৰো এটি গুৰুত্বপূৰ্ণ সামাজিক তথা জাতীয় অনুষ্ঠান হৈছে বিহু। অৱশ্যে দেউৰীসকলৰ উদ্‌যাপিত বিহুৰ কিছুমান সুকীয়া বিশেষত্ব আছে। দেউৰীসকলে অতীজৰে পৰা নিজস্ব পৰম্পৰা আৰু ৰীতি-নীতিৰে 'বিচু' অৰ্থাৎ বিহু উৎসৱ পালন কৰি আহিছে। দেউৰীসকলে বিহুক 'বিচু' বুলি কয়। 'বি' মানে অতি আৰু 'চু' মানে আনন্দময়; অৰ্থাৎ এক আনন্দময় পৰিৱেশ। দেউৰীসকলৰ জাতীয় অনুষ্ঠান বিচু তিনি প্ৰকাৰৰ। বহাগীয় বিচু, কাতি বিচু আৰু মাগীয় বিচু।

**বহাগীয় বিচু বা ব'হাগ বিহু ঃ** দেউৰীসকলৰ 'বিচু' উৎসৱৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ বিচু হৈছে বহাগ বিচু। বহাগ মাহ সোমোৱাৰ আগতেই দেউৰী ডেকা-গাভৰুৱে মনৰ আনন্দত আত্মহাৰা হয় আৰু ফাগুণ, চ'ত মাহৰে পৰাই বিচু পাতিবলৈ আৰম্ভ কৰে। বহাগ বিহুৰ আগতে প্ৰস্তুতিমূলক হিচাপে পতা এই বিহুকেই চ'তৰ বিচু বোলে। চ'তৰ বিচু ৰাতিহে পতা হয়। গাঁৱৰ এডোখৰ নিৰ্দিষ্ট ঠাইত নাইবা

Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

কোনো এঘৰৰ চোতালত বিচু খোলা পাতি দেউৰী ডেকা-গাভৰুৱে দল বান্ধি ৰাতি বিহু পাতে। দেউৰীসকলে ৰাতি বিহু মাৰিবৰ বাবে ঠিক কৰা ঠাইক 'বিচুকলা' বুলিও কয়। ৰাতি বিহু আৰম্ভ কৰাৰ দিনা ডেকা-গাভৰু, বোৱাৰী, বয়োবৃদ্ধ সকলোৱে দেওশাললৈ গৈ সেৱা জনাই যাতে কোনো দোষ-ত্ৰুটি নহয়। বিহুৰ খোলাত দেউৰী ডেকা-গাভৰুৱে হাতত টকা, পেঁপা, গগণা, বাঁহী ঢোল, তাল আদি লৈ মুক্ত মনেৰে নৃত্য-গীত কৰি আনন্দ উপভোগ কৰে। এই ৰাতি বিহু মূল বহাগ বিহুৰ উৰুকাৰ দিনা নিশালৈকে চলি থাকে। পিছদিনা আবেলি বিচুকলা পতা ঠাইৰ পৰা ডেকা-গাভৰুসকলে বিহু মাৰি নৃত্য-গীত গাই গাই বিহুক দেওশালৰ মন্দিৰত থয়। বহাগ বিহুৰ দিনা দেউৰী জীয়ৰী-বোৱাৰীয়ে ঘৰখনৰ সকলোকে নতুন সাজ বৈ-কাটি পিন্ধাব লাগে আৰু ঘৰলৈ অহা বয়োজেষ্ঠসকল, হুচৰিদলক গামোচা আদি উপহাৰ দিব লাগে। সেয়েহে দিনৰ ভাগত দেউৰী জীয়ৰী-বোৱাৰীয়ে বিহুৰ কাপোৰ বয়। তদুপৰি বিহু ওচৰ চাপি অহাৰ লগে লগে দেউৰী গাভৰু-বোৱাৰীয়ে বিহুৰ বাবে প্ৰয়োজনীয় জা-জলপান, পিঠা-পনা, চুঝে আদি যা-যোগাৰৰ কামতো লাগি যায়। পুৰুষসকলেও বিহুৰ বাবে প্ৰয়োজনীয় বিভিন্ন সমল গোটোৱাৰ লগতে গৰু বিহুৰ দিনা গৰুক ন-পঘা দি বান্ধিবৰ বাবে তৰা আৰু মৰাপাতেৰে ৰচি বাতে।

দেউৰীসকলে বহাগ মাহৰ প্ৰথমটো বুধবাৰ আৰু বৃহস্পতিবাৰৰ পৰা বিহু উদ্‌যাপন কৰে। বুধবাৰৰ দিনটো উৰুকা হিচাপে পালন কৰে। উৰুকাৰ দিনা দেউৰীসকলৰ প্ৰত্যেকৰে ঘৰত বিভিন্ন বনৰীয়া শাক-পাচলি সংগ্ৰহ কৰি ৰান্ধি খোৱাৰ পৰম্পৰা আছে। এনেদৰে এসাজ বনশাক এই দিনটোত খালে গোটেই বছৰটোলৈ বেমাৰ-আজাৰ নহয় বুলিও জনবিশ্বাস আছে। এই দিনটোতেই দেউৰী লোকসকলে 'খিন পেলোৱা' নামৰ এটি সকাম গধূলি অনুষ্ঠিত কৰে। দেউৰীসকলৰ মাজত জাত-পাতৰ বিভাজন দেখা যায়। নিম্ন জাতৰ মানুহ বিশেষ কাৰণত তেওঁলোকৰ ঘৰত প্ৰৱেশ কৰিলে চুৱা লাগে বুলি ভাবে। তদুপৰি ঘৰত শগুণ পৰিলে, জন্ম-মৃত্যু সম্বন্ধীয়, ঘৰত সাপ বগোৱা ইত্যাদি বিভিন্ন কাৰণত চুৱা লাগে। এই চুৱাবোৰ সময়মতে অনুষ্ঠিত কৰি খেদোৱা হয় যদিও বিচু উৎসৱৰ এই দিনটোত সামগ্ৰিকভাৱে সকলো চুৱা পুনৰ কেইজনমান বয়সীয়াল লোকক নিমন্ত্ৰণ কৰি চুঝে-মাংসৰে আপ্যায়ন কৰি চুৱা ভাঙে। এই সকামলৈ নিজৰ নিজৰ বংশৰ দেওধাইক নিমন্ত্ৰণ কৰি অনা হয়। দেওধাইয়ে ঘৰৰ চোতালত বেদী সাজি 'খিন পাতৰ' দ্বাৰা ঘৰৰ চাৰিওফালে তিনিবাৰ ঘূৰি শান্তিপানী ছটিয়াই ঘৰ, ভৰাল শুচি কৰে। এই সকাম গাঁৱঁৰ প্ৰতিঘৰতে অনুষ্ঠিত কৰা হয়। 'ছাঁই পেলোৱা' বা 'খিন পেলোৱা' বুলি কোৱা এই অনুষ্ঠানত পূৰ্বপুৰুষসকলৰ আত্মাৰ সন্তুষ্টিৰ অৰ্থে প্ৰাৰ্থনা কৰা হয়।

উৰুকাৰ পিছদিনা অৰ্থাৎ বহাগৰ প্ৰথম বৃহস্পতিবাৰৰ দিনা পুৱা গৰু বিহু উদ্‌যাপন কৰা হয়। কৃষিজীৱি দেউৰী সমাজৰ কৃষিৰ মূল সম্বল হ'ল গৰু। গৰুক এওঁলোকে অতি পবিত্ৰ জীৱ হিচাপে মানি চলে। ঘৰত এগোহালীকৈ গৰু থকাটো এওঁলোকৰ বাবে অতি গৌৰৱৰ কথা। এই দিনটোত ঘৰৰ সকলো মানুহ সোনকালে শুই উঠি বাহি ঘৰৰ কাম কৰি আজৰি হয়। পুৱাতেই ঘৰতে মাহ-হালধিৰে গৰু-গাইকেইটা নোৱাই দীঘলতি, মাখিয়তিৰে কোৱাই নৈৰ ঘাটলৈ লৈ যায়। নৈৰ ঘাতত সমবেত ৰাইজে আগলি পাতত এটি তামোল-পাণ আগবঢ়াই জীৱ-জন্তুৰ মঙ্গলৰ লগতে সমূহ ৰাইজৰ মঙ্গল কামনা কৰি ইষ্ট দেৱতাক স্মৰণ কৰা হয়। গৰু গা ধুৱাবলৈ যাওঁতেই দেউৰী চেমনীয়া ল'ৰাক ডেকাৰ শাৰীলৈ নিয়াৰ এক আমোদজনক পৰ্বও অনুস্থিত হয়। ইয়াকেই 'ইকু-গেনেমা' (চুৰিয়া পিন্ধোৱা প্ৰথা) বুলি কোৱা হয়। গৰু গা ধুৱাই আহি আগবেলাতেই সকলো ৰাইজে পুণৰ গাঁৱৰ দেওঘৰত সমবেত হয় আৰু দেওঘৰত ইষ্ট-দেৱতাক স্মৰণ কৰি চাকি, ধূপ-ধুনা, মাহ, কল, পিঠা আদিৰে বিহুৰ বৰপূজাৰ আগবঢ়াই বিহুৰ শুভ আৰম্ভণি কৰা হয়। পূজাৰ অন্তত ইষ্ট-গুৰু আৰু পূৰ্বপুৰুষসকলৰ সন্তুষ্টিৰ অৰ্থে হাঁহ, ছাগলী, কুকুৰা, পাৰ আদি বলি দিয়া হয়। ইয়াৰ পিছত বলিৰ জীৱ-জন্তুৰ মাংসৰে সমৱেত ৰাইজে ভোজভাত খাই আনন্দ-স্ফুৰ্তি ধেমালি কৰে। এই দিনটোত কণী যুঁজ (দুজাঁ চ্চুজুৱাবা), কুকুৰা যুঁজ (দু চ্চুজুৱাবা), মল্লযুঁজ (মচি চ্চুজুৱা) আদি খেলি দেউৰীসকলে আনন্দ কৰে।

ইয়াৰ পিছদিনা মানুহৰ বিহু। গাঁৱৰ সকলো ডেকা-গাভৰু, জীয়ৰী-বোৱাৰী, বয়োবৃদ্ধ লোক দেওঘৰত সমবেত হয় আৰু দেওঘৰত পূজা সেৱা কৰি বিহু আৰম্ভ কৰে। দেউৰীসকলৰ মাজত বিহুৰ দিনা দেও উঠাৰ এক পৰম্পৰা আছে। সেই দিনটোত এক নিৰ্দিষ্ট বংশৰ এগৰাকী বিবাহিত পুৰুষ বা মহিলাৰ গাত দেও লম্ভে। দেও উঠা ব্যক্তিগৰাকীক ঐশ্বৰীক শক্তিৰ অধিকাৰী বুলি ভবা হয় আৰু তেওঁক অতি স-সন্মানেৰে ঘৰৰ পৰা ৰাইজে দেওঘৰলৈ লৈ আহে। দেওঘৰলৈ আনি দেওগৰাকীক পূজা-সেৱা কৰাৰ পিছত তেওঁ বাদ্যৰ চেৱত নৃত্য (দেওধনী নৃত্য) কৰে। নৃত্যৰ শেষত তেওঁ অনাগত নতুন বছৰটিত হ'ব পৰা ৰাইজৰ বিভিন্ন মঙ্গল-অমঙ্গলৰ বা-বতৰা দিয়ে আৰু

Scanned by TapScanner

Marangi Mahavidyalaya